জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩৪৪/২০২১**

# প্ৰাথমিক, মাধ্যমিক, উচ্চ আৰু কাৰিকৰী শিক্ষা বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

# নিম্ন বুনিয়াদী আৰু মধ্য ইংৰাজী বিদ্যালয় চামিলকৰণ তথা মহাবিদ্যালয়সমূহৰ পৰা উচ্চতৰ মাধ্যমিকৰ শ্ৰেণীসমূহ আঁতৰোৱাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১৭ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কইনাধৰাস্থিত ১নং ৰাজ্যিক অতিথিশালাত ৰাজ্যৰ প্ৰাথমিক, মাধ্যমিক, উচ্চ আৰু কাৰিকৰী শিক্ষা বিভাগৰ কাম-কাজৰ বিতং পৰ্যালোচনা কৰে।

বিভাগকেইটাৰ কাম-কাজৰ বুজ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে দেশ গঢ়াৰ বাবে মান সম্পন্ন মানৱ সম্পদ শিক্ষা বিভাগেহে প্ৰদান কৰিব পাৰে। সেয়ে এই খণ্ডৰ উত্তৰণত চৰকাৰে সৰ্বোচ্চ প্ৰাথমিকতা প্ৰদান কৰিছে। ৰাজ্যখনৰ প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ আধাতে বিদ্যালয় এৰা প্ৰৱণতা হ্ৰাস কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ সকলোবোৰ নিম্ন বুনিয়াদী বিদ্যালয়ক মধ্য ইংৰাজী বিদ্যালয়ৰ সৈতে চামিলকৰণৰ পোষকতা কৰে। এই সম্পৰ্কত প্ৰয়োজনীয় বাজেট আৱণ্টনেৰে চামিলকৰণৰ লগতে আন্তঃগাঁথনিৰ উন্নয়নৰ সকলোবোৰ বিষয় সামৰাৰ পদক্ষেপ ল'বলৈ তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে লগতে মাধ্যমিক আৰু প্ৰাথমিক বিদ্যালয়ত কৰ্মৰত স্নতকোত্তৰ ডিগ্ৰী থকা শিক্ষক-শিক্ষয়িত্ৰীসকলক চিনাক্তকৰণৰ বাবে এটা সুকীয়া প'ৰ্টেল স্থাপনৰ বাবে নিৰ্দেশ দিয়ে যাতে এই প'ৰ্টেলত শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজে পঞ্জীয়ন কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে লগতে অসম মাধ্যমিক শিক্ষা পৰিষদৰ সৈতে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ চামিলকৰণৰ কাম অহা বছৰৰ ভিতৰত সম্পন্ন কৰাৰ দিশত দ্ৰুত পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ ৰূপায়ণৰ অংশ হিচাপে মহাবিদ্যালয়সমূহৰ পৰা উচ্চতৰ মাধ্যমিক শ্ৰেণীসমূহ আতঁৰোৱাৰ দিশটো ক্ষিপ্ৰতৰ কৰাৰ বাবে প্ৰথম পৰ্যায়ত ১ হাজাৰখন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ পদক্ষেপ ল'বলৈও তেওঁ নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে লগতে মধ্য আৰু উচ্চ শিক্ষাৰ বিদ্যালয়সমূহত ভৱিষ্যতৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত স্নাতকোত্তৰ ডিগ্ৰীক ন্যূনতম শিক্ষাগত অৰ্হতা হিচাপে বিবেচনা কৰাৰ প্ৰয়োজনীয়তাৰ দিশটোৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাক

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

সংহত আৰু সূচলতৰ কৰাৰ বাবে প্ৰাথমিক শিক্ষা সঞ্চালকালয় আৰু মাধ্যমিক শিক্ষা সঞ্চালকালয়ক চামিলকৰণেৰে বিদ্যালয় শিক্ষা সঞ্চালকালয় হিচাপে এটা সঞ্চালকালয় গঠনৰ বাবেও নিৰ্দেশ দিয়ে।

ৰাজ্যখনৰ আওহতীয়া অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক সুবিধা প্ৰদানৰ লক্ষ্যৰে ১১৬২ টা প্ৰস্তাৱিত ক্লাষ্টাৰ হোষ্টেল স্থাপনৰ বাবে অতি সোনকালে প্ৰাককলন দাখিলৰ বাবেও লোক নিৰ্মাণ বিভাগক তেওঁ নিৰ্দেশ দিয়ে। তেওঁ লগতে আদৰ্শ বিদ্যালয়সমূহ স্থাপনৰ কাম ক্ষিপ্ৰভাৱে আগুৱাই নিয়াৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে সন্দেহজনক পি এইচ ডি হোল্ডাৰ শিক্ষকসকলৰ প্ৰমাণপত্ৰসমূহ পুনৰ পৰীক্ষা কৰাৰ বাবেও নিৰ্দেশ দিয়ে।

আনহাতে উচ্চ আৰু কাৰিকৰী শিক্ষা বিভাগৰ পৰ্যালোচনা কালত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যৰ মহাবিদ্যালয়সমূহৰ ভূমিৰ সমস্যা, খালী পদ পূৰণ, বিশ্ববিদ্যালয়ৰ নতুন পদ সৃষ্টি, মহিলা মহাবিদ্যালয় আৰু আইন মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য দ্ৰুততৰ কৰা আদি বিভিন্ন দিশৰ বুজ লৈ এই সন্দৰ্ভত তৎকালীনভাৱে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা বৈঠকত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, শিক্ষা বিভাগৰ উপদেষ্টা অধ্যাপক ননীগোপাল মহন্ত, শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তী, মাধ্যমিক শিক্ষা বিভাগৰ বিশেষ আয়ুক্ত প্ৰীতম শইকীয়া তথা অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**স্বাক্ষৰ / নিঃকুঃদা / বঃভাঃ**
**১৭-১১-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in